# অসম বিধান সভা

## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা

## বুধবাৰ, ৯ ডিচেম্বৰ, ২০১৫

**গড়কাপ্তানি (পথ, গৃহ, ৰাষ্ট্ৰীয় ঘাইপথসমূহ), পৰিকল্পনা আৰু উন্নয়ন, ন্যায়িক, বিধায়িনী, আইন, জলসিঞ্চন, ভূমি সংৰক্ষণ, পৰিবহণ, আবকাৰী, ক্ৰীড়া আৰু যুৱ কল্যাণ, খনিজ আৰু খনিজাত সম্পদ, কাৰাগাৰ, সীমান্ত অঞ্চল উন্নয়ন।**

---

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৪৪**

*বিষয় ঃ* **Inter lock Paner block ৰাস্তা**

শ্ৰীযাদৱ চন্দ্ৰ ডেকা ঃ

৮৯। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান ৰাস্তা Inter lock Paner block ৰে বনোৱা হ'ল?

(তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) উক্ত Block বিলাকৰ প্ৰয়োজনীয় শক্তি কিমান মানদণ্ডৰ হ'ব লাগে?

(গ) এই ৰাস্তাসমূহ নিৰ্মাণৰ ক্ষেত্ৰত কোন কোন উদ্যোগৰ পৰা Procure কৰা হৈছে?

(বিতং তথ্য সদনত দাখিল কৰিব)

(ঘ) উক্ত ৰাস্তাসমূহৰ পৰা Random সংগ্ৰহেৰে গুৱাহাটীৰ IIT ৰ পৰীক্ষাগাৰত Test ৰ ব্যৱস্থা কৰি বিধান সভাত এক প্ৰতিবেদন দাখিল কৰিবনে?

*বিষয় ঃ* **নিগমৰ বাছ আৰু বেদখলৰ মাটি**

শ্ৰীপ্ৰবীন হাজৰিকা ঃ

৯০। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শোণিতপুৰ জিলাৰ বিশ্বনাথ চাৰিআলি আস্থানৰ পৰা কিমানখন পৰিবহণ নিগমৰ বাছ ক'ৰ পৰা ক'লৈ চলি আছে?

(খ) নতুনকৈ বাছ দিয়াৰ ব্যৱস্থা আছেনে? যদি আছে, তেন্তে জিঞ্জিয়াৰ পৰা বালিচাং-বৰপাম

তিনিআলি-ইটাখোলা হৈ তেজপুৰলৈ নতুনকৈ ২ খন বাছ দিয়াৰ ব্যৱস্থা কৰিবনে?

(গ) Biswanath Chariali ত পৰিবহণ নিগমৰ নামত কিমান বিঘা মাটি আছে, কি কি কামত বৰ্তমানে ব্যৱহাৰ কৰি আছে, কিমান মাটি বেদখল হৈ আছে আৰু কাৰোবাক লিজত দিছে নেকি?

(নামসহ সকলো তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

(ঘ) যদি উক্ত মাটি বেদখলৰ (কিছু অংশ) কবলত পৰিছে, তেন্তে বেদখল মুক্ত কৰাৰ ব্যৱস্থা কৰিবনে?

*Sub.* : **Posting of L. R.**

Smti. MANDIRA ROY :

91. Will the Minister of Law Department be pleased to state :

(a) Is it a fact that Govt. at level of C. M. has taken certain decisions in the part file of the department File No. JDJ.244/2012/Pt to bring some structural changes and reforms in the functioning of the Judicial Department including to separate the post of L. R, Assam for filling up by advocates ?

(b) If so, what are those decisions and date of taking those decisions may be given ?

(c) Details of the steps taken so far for implementation of those decisions may be furnished ?

(d) If implementation is still pending, at what level it is pending and when process will be initiated and by what time decisions will be implemented ?

*বিষয় ঃ* RIDF

শ্ৰীমজিবুৰ ৰহমান ঃ

৯২। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাত ২০১৩-১৪, ২০১৪-১৫, ২০১৫-১৬ বিত্তীয় বৰ্ষত RIDF-XX আৰু RIDF-XXI ৰ জৰিয়তে কিমান কিলোমিটাৰ ৰাস্তা লক্ষ্য স্থিৰ কৰিছে জনাবনে?

(খ) উক্ত আঁচনিসমূহৰ জৰিয়তে নগাঁও জিলাৰ প্ৰতিটো সমষ্টিত কিমান কিলোমিটাৰ ৰাস্তা আবণ্টন দিয়া হ'ল তথ্য সহকাৰে জনাবনে?

(সমষ্টি সাপেক্ষে তথ্য পৃথকে পৃথকে দিব)

(গ) উক্ত ৰাস্তাসমূহ কোনজন ঠিকাদাৰ বা Firm ক দিয়া হ'ল, নাম-ঠিকনাৰ সৈতে জনাবনে?

*বিষয় ঃ* **FIS সম্পৰ্কে**

শ্ৰীমনোৰঞ্জন দাস ঃ

৯৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমান FISৰ ভিতৰত কিমানটা FIS কাৰ্য্যক্ষম হৈ আছে?

(খ) বজালী উন্নয়ন খণ্ড এলেকাৰ নাড়ীহাগ্ৰা আঁচনিখনৰ কাম কেতিয়া সম্পূৰ্ণ হ'ব?

(গ) কাৰোবাৰ গাফিলতিৰ বাবে নিৰ্মীয়মান অৱস্থাতে নাড়ীহাগ্ৰা আঁচনিৰ Sluice Gateখন বা বান্ধটো ভাঙি যোৱাৰ পিছত বিধিমতে অনুসন্ধান আদি কৰি কাক জগৰীয়া কৰি কি শাস্তি দিলে?



*বিষয় ঃ* **মহিষাবিলের উন্নয়নের জন্য বরাদ্দকৃত অর্থ।**

শ্ৰীদিলীপ কুমাৰ পাল ঃ

৯৪। মাননীয় জলসিঞ্চন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) শিলচর বিধান সভা কেন্দ্রের পূর্ণ শিলচরে অবস্থিত বিশাল "মহিষাবিলের" উন্নয়নের জন্য বিগত দশ বছরে অর্থাৎ 2005 থেকে 2014 পর্যন্ত কত টাকা বরাদ্দ হয়েছিলো তার বছরওয়ারী (Year-wise) হিসাব সদনে পেশ করার আবেদন জানাই?

(খ) যদি অর্থ বরাদ্দ হয়ে থাকে তবে সেই অর্থে উক্ত মহিষাবিলের উন্নয়নে কি কি কাজ হয়েছে তার বিস্তারিত তথ্য সদনে পেশ করার অনুরোধ জানাই?

*বিষয় ঃ* **দলং মেৰামতি**

শ্ৰীদ্বীপেন পাঠক ঃ

৯৫। মাননীয় গড়াকাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰ জ্ঞাতনে, হাজো সমষ্টিৰ বৰিয়া পথ সংমণ্ডলৰ অন্তৰ্গত Guiya Palara Baranghati Road ৰ SPT Bridge No. 6/1, 7/1, 11/1 তিনিখন দলং যাতায়াতৰ সম্পূৰ্ণ অনুপযোগী হৈছে?

(খ) যদি জ্ঞাত, তেন্তে দলংকেইখন কেতিয়া মেৰামতি কৰি যাতায়াতৰ উপযোগী কৰি তুলিব?

*বিষয় ঃ* **পথ আৰু দলং**

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ

৯৬। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) (১) কামপুৰ-কঠীয়াতলী পথ (২) কঠিয়াতলী-আমলখী পথ (৩) কামপুৰ-বৈঠালাংচু পথ ৩৭ নং ৰাষ্ট্ৰীয় পথৰ গড়মূৰৰ পৰা চাপানলা জলপ্ৰপাতলৈ (৪) বড়মপুৰ-বামুণী (৫) ডিফলু-ৰূপহী এই পথ কেইটাৰ উন্নীতকৰণৰ কাম কেতিয়া আৰম্ভ কৰিব আৰু কোনটো পথৰ বিপৰীতে কিমান টকা অনুমোদিত হৈছে জনাবনে? যিকেইটা পথত টকা অনুমোদিত কৰা নাই ২০১৫-১৬, ২০১৬-১৭ বিত্তীয় বছৰত অনুমোদিত কৰা কাম আৰম্ভ কৰাবনে?

(খ) ৩৭ নং ৰাষ্ট্ৰীয় পথৰ পৰা গোমোঠা গাঁৱৰ কলং নদীৰ ওপৰত যিটো পাৰ সংলগ্ন কৰা পকী দলঙৰ কাম আধৰুৱা অৱস্থাত থকাৰ প্ৰকৃত কাৰণ কি? কেতিয়া উক্ত দলঙৰ কাম সম্পূৰ্ণ হ'ব আৰু দলং সংলগ্ন পথৰ কামো নিৰ্মাণ কৰি সম্পূৰ্ণ কৰিব পাৰিব?

(গ) কলং সূতীৰ উত্তৰ পাৰে হয়বৰগাঁৱৰ পৰা ডিফলু-পুৰণিগুদাম পথ পকীকৰণেৰে কেতিয়া যাতায়াতৰ বাবে সূচল কৰিব জনাবনে?

(ঘ) নতুন কোন কোন পথ বড়মপুৰ সমষ্টিত ৰাজ্যিক আঁচনি, ৰাষ্ট্ৰীয় আঁচনি World Bank, NABARD, PMGSY etc. আঁচনিত অন্তৰ্ভুক্ত কৰিব জনাবনে?

*বিষয় ঃ* **PMGSY পথৰ আঁচনিৰ সম্পৰ্কে**

শ্ৰীবনেন্দ্ৰ কুমাৰ মুছাহাৰী ঃ

৯৭। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) PMGSY আঁচনি বিলাক ঠিকাদাৰসকলে কাম সম্পূৰ্ণ কৰাৰ পিছত কিমান দিনলৈকে মেৰামতিৰ দায়বদ্ধতা থাকে আৰু শতকৰা হিচাপত কিমান শতাংশ ছিকিউৰিটি ধন কাটি ৰখাৰ ব্যৱস্থা আছে জনাবনে?

(খ) ধুবুৰী জিলাৰ গৌৰীপুৰ সমষ্টিৰ কোকৰাঝাৰ মহকুমা গড়কাপ্তানি গ্ৰামীণ বিভাগৰ

অন্তৰ্গত PMGSY বাহবাৰীৰ পৰা গৌৰীপুৰলৈ Package No. AS-14-81 ৰ কাম কেতিয়া কোন ঠিকাদাৰে সম্পূৰ্ণ কৰিছিল তাৰ প্ৰমাণপত্ৰ সহকাৰে সদনৰ মজিয়াত দাঙি ধৰিবনে?

(গ) উক্ত পথছোৱাৰ কাম সম্পূৰ্ণ কৰাৰ ৩ বছৰৰ পিছত বেয়াকৈ ভাঙি-ছিঙি ক্ষতিগ্ৰস্ত হোৱা বাবে সংশ্লিষ্ট ঠিকাদাৰজনক Ex. Engineer PWD (R) জনে বাৰে বাৰে অনুৰোধ কৰাৰ পিছতো এতিয়ালৈকে মেৰামতি নকৰাৰ কাৰণ কি জনাবনে?

(ঘ) যদি উক্ত ঠিকাদাৰজনে PMGSYৰ আঁচনিৰ চুক্তিমৰ্মে নিয়ম মানি চলা নাই, তেনেহ'লে উক্ত ঠিকাদাৰজনৰ বিৰুদ্ধে চৰকাৰে দৃষ্টান্তমূলক শাস্তি দিয়াৰ ব্যৱস্থা কৰিবনে?

*বিষয় ঃ* **পুঁজি আবণ্টন**

শ্ৰীজাবেদ ইছলাম ঃ

৯৮। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০১৩-২০১৪ বৰ্ষৰ পৰা ২০১৫-২০১৬ বৰ্ষলৈকে সীমান্ত অঞ্চল উন্নয়ন বিভাগে 13th Finance আৰু SCA শিতানত কিমান পুঁজি আবণ্টন দিছে?

(সমষ্টি ভিত্তিত পুঁজিৰ উল্লেখ কৰিব)

(খ) উক্ত সময়ছোৱাত মানকাচৰ সমষ্টিৰ বাবে কিমান পুঁজি দিয়া হৈছে?

(গ) যদি দিয়া হোৱা নাই, তেন্তে কেতিয়া দিয়াৰ ব্যৱস্থা কৰিব?

*বিষয় ঃ* **বিভিন্ন আঁচনি**

শ্ৰীমইন উদ্দিন আহমেদ ঃ

৯৯। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা আজিলৈকে জলেশ্বৰ সমষ্টিত উক্ত বিভাগৰ জৰিয়তে কি কি আঁচনি লোৱা হৈছিল?

(আঁচনিৰ নাম, ঠিকনা, পুঁজিৰ পৰিমাণ, শিতানৰ নাম, ঠিকাদাৰৰ নাম-ঠিকনা Work Order Copy, Work Programme ৰ কপি, Physical & Financial Progress, ইত্যাদিৰ সৈতে বছৰ ভিত্তিত বিতং তথ্য দাখিল কৰিব)

(খ) এই সমষ্টিৰ আজিলৈকে অসম্পূৰ্ণ হৈ থকা ৰাস্তা আৰু দলঙৰ বিতং তালিকা দাখিল কৰিবনে? সময়মতে কাম সম্পূৰ্ণ কৰিব নোৱাৰা ঠিকাদাৰৰ বিৰুদ্ধে বিভাগীয়ভাৱে কি কি বিহীত ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

(অসম্পূৰ্ণ ৰাস্তা, দলঙৰ নাম, ঠিকাদাৰৰ নাম-ঠিকনা Physical & Financial Progress আৰু সম্পূৰ্ণ নোহোৱাৰ কাৰণ আদি বিতংভাৱে জনাব)

(গ) যিসকল ঠিকাদাৰক ইতিমধ্যে Cancell কৰা হৈছে, তেওঁলোকৰ Tender Clasue "Risk & Cost" ত Resigned কৰা হৈছিলনে? যদি হৈছিল, তেন্তে বিতং তথ্য দাখিল কৰিবনে আৰু যদি কৰা নাই, তেন্তে কিয় কৰা নাই কাৰণ জনাব?

(ঘ) জলেশ্বৰ-লক্ষীপুৰ ৰাস্তাৰ কাঠৰ জৰাজীৰ্ণ দলং দুখন RCC কৰাৰ বাবে দিয়া প্ৰস্তাৱসমূহ কি পৰ্য্যায়ত আছে আৰু কেতিয়া Sanction হ'ব জনাবনে?

(ঙ) ধুমেৰঘাট তাৰাংগাপুৰ AACP অধীনত ৰাস্তাটো ঠিকাদাৰ আৰু বিষয়াৰ হেমাহিত সময়ত সম্পূৰ্ণ নহ'ল আৰু টকা ঘূৰি গ'ল, কথাটো চৰকাৰ অৱগতনে? আজিৰ দিনত ৰাস্তাটো আকৌ Disconnected হৈছে (Bridge approach ভাঙি) বুলি চৰকাৰ অৱগতনে? যদি অৱগত হয়, তেন্তে ৰাস্তাটোৰ আজি বিকলাংগ বনোৱাৰ বাবে দায়ী কৰ্মচাৰী আৰু ঠিকাদাৰৰ বিৰুদ্ধে কি কি বিহীত ব্যৱস্থা লোৱা হৈছে? (বিতাংভাৱে জনাব) যদি লোৱা নাই, তেন্তে কিয় লোৱা হোৱা নাই?

(Itemৰ সৈতে Total Payment to contractor ৰ বিষদভাৱে জনাব)

(চ) উক্ত ৰাস্তাটো এতিয়া কোন শিতানত আৰু কেতিয়া Sanction কৰা হ'ব জনাবনে?

*বিষয় ঃ* **ৰাস্তাৰ মেৰামতি**

শ্ৰীজাহান উদ্দিন ঃ

১০০। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী চহৰৰ অন্তৰ্গত গড়কাপ্তানি বিভাগৰ অধীনত থকা মুঠ ২৪ টা ৰাস্তাৰ ভিতৰত ৩/৪ টা ৰাস্তা বাদ দি বাকী ৰাস্তাবোৰ জহি-খহি যোৱাত যাতায়াতৰ ক্ষেত্ৰত ৰাইজে জীয়াতু ভুগি থকা সম্পৰ্কে চৰকাৰ জ্ঞাতনে?

(খ) যদি জ্ঞাত, তেন্তে উক্ত ৰাস্তাবোৰ মেৰামতিৰ বাবে চৰকাৰে কেনে আৰু কি কি পদক্ষেপ গ্ৰহণ কৰিছে বা কৰিব?

(তথ্য সহকাৰে বিতং জনাব)

(গ) আটাইতকৈ জৰাজীৰ্ণ হোৱা Dhubri Match Factory Road (AMCo Road) আৰু Dhubri-Gadikhana Road ৰ বিপৰীতে Plan & Estimate যুগুত কৰি Superintending Engineer, PWD য়ে চিঠি নং CD-156/Pt/77, dated 29-9-2015 যোগে Chief Engineer PWD (R) Chandmari লৈ প্ৰেৰণ কৰাত Chief Engineer, PWD (R) এ উক্ত Plan & Estimateৰ কপিসহ যাৱতীয় নথি বিহিত ব্যৱস্থাৰ্থে Commissioner & Secretary, PWD (R), Govt. of Assam লৈ প্ৰেৰণ কৰাৰ পিছতো আজিলৈকে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ নকৰাৰ কাৰণ কি?

(ঘ) এয়া সত্যনে, ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চলৰ অতিকৈ গুৰুত্বপূৰ্ণ Dhubri-Patamari Road আৰু Bidyapara-Dhatigaon PWD Road to Bhasanirchar GP Office ৰাস্তা দুটাৰ বিপৰীতে CM Special Pakage for Construction of Border Area Roads & Bridges, Annual Plan 2015-16 ৰ অধীনত Plan & Estimate সহ যাৱতীয় নথি Chief Engineer, PWD Border Roads & NEC Works, Assam, Chandmari য়ে পত্ৰ নং CE/BR/79/2014/Pt-I/25, dated 24/6/2015 যোগে The Secretary to the Govt. of Assam, PWD Dispur, Guwahati লৈ বিহীত ব্যৱস্থাৰ্থে প্ৰেৰণ কৰিছিল?

(ঙ) যদি কৰিছিল, তেন্তে ৰাস্তা দুটা প্ৰাসংগিকতাৰ পিনে লক্ষ্য কৰি বিহীত ব্যৱস্থা গ্ৰহণ কৰি মঞ্জুৰী দিবনে?

(বিতং জনাব)

(চ) Construction of Kismathasdaha Pt.-IV to Dhubri-Binnachara Road under PMGSY (Package No. AS-05-32) আঁচনিখন সম্পূৰ্ণ কৰিবলৈ Empowered Officer & Addl. Chief Engineer, PWD (R) W/Z), Assam য়ে চিঠি নং T/BR/PMGSY/53/2006-07/Pt/5, dated 25-11-2014 যোগেদি Commissioner & Spl. Secy., PWD, Govt. of Assam, Dispurক Addl. Estimate জমা দিয়াৰ বহুদিন উকলি যোৱাৰ পিছতো কি কাৰণত বিহীত ব্যৱস্থা গ্ৰহণ কৰা নহ'ল জনাবনে?

(ছ) পত্ৰসমূহৰ প্ৰাসংগিকতা নাই নে ধুবুৰী সমষ্টিৰ ৰাস্তা-ঘাটৰ প্ৰাসংগিকতা নাই বুলি ভাবি চৰকাৰে গুৰুত্ব আৰোপ কৰা নাই নেকি?

(জ) যদি প্ৰাসংগিকতা আছে, উক্ত পত্ৰ অনুসৰি কাৰ্য্যকৰী পদক্ষেপ ল'বনে?

(তথ্য সহকাৰে বিতং জনাব)

*বিষয় ঃ* **বাছ আস্থান নিৰ্মাণ**

শ্ৰীপ্ৰশান্ত ফুকন ঃ

১০১। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড়ৰ খলিহামাৰীস্থিত অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছ আস্থানৰ নিৰ্মাণৰ কাম কোন ঠিকাদাৰ/প্ৰতিষ্ঠানক কিমান তাৰিখে কামৰ আবণ্টন দিয়া হৈছিল আৰু এই কামৰ বৰ্তমানৰ অগ্ৰগতি কিমান হৈছে?

(খ) এই কামৰ বাবে কিমান ধন আবণ্টিত কৰা হৈছে আৰু আঁচনি অনুসৰি এই কাম সম্পূৰ্ণ কৰাৰ সময়সীমা কিমান?

(এই আঁচনিৰ বিতং তথ্য সদনক অৱগত কৰাব)

(গ) উক্ত ঠিকাদাৰ/প্ৰতিষ্ঠানক কামৰ বিনিময়ত বৰ্তমানলৈকে কিমান ধন আদায় দিয়া হৈছে আৰু এই কামটো কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব?

*বিষয় ঃ* **ৰাস্তা পকীকৰণ সম্পৰ্কে**

শ্ৰীমতী গুল আখতাৰা বেগম ঃ

১০২। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিভাগৰ জৰিয়তে কি কি আঁচনিৰ অধীনত ৰাস্তা-পথ আৰু দলং পকীকৰণ কৰা হয় বিতংকৈ জনাবনে?

(খ)উক্ত আঁচনিসমূহৰ অধীনত ২০১৪ চনৰ পৰা বৰ্তমানলৈ কি কি ৰাস্তা, দলং পকীকৰণ কৰা হ'ল?

(জিলা ভিত্তিত বিতংকৈ তথ্য দিব)

(গ) বিলাসীপাৰা পূব সমষ্টিৰ অন্তৰ্গত পকীকৰণ হৈ থকা, হ'বলগীয়া ৰাস্তা-দলং সমূহৰ কামৰ অগ্ৰগতিৰ বিতং তথ্য সদনত দাখিল কৰিবনে?

(ঘ) সমষ্টিৰ অন্তৰ্গত যাতায়তৰ অনুপযোগী, জৰাজীৰ্ণ শালকোচা-শিলগাৰা তথা শালকোচা-লক্ষীগঞ্জ ৰাস্তাটো কেতিয়া পুনৰনিৰ্মাণ/মেৰামতি কৰা হ'ব জনাবনে?

(ঙ) সমষ্টিৰ অন্তৰ্গত NH-31 (at Tilapara Bazar) to Chandardinga Pagla Baba Mandir পথচোৰা পকীকৰণ কৰিবনে?

(চ) যদি কৰে, কেতিয়া কৰিব?

*বিষয় ঃ* **চুবুৰীয়া ৰাজ্যৰ পৰা বিলাতী সুৰা ক্ৰয়।**

শ্ৰীভূপেন ৰায় ঃ

১০৩। মাননীয় আবকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ প্ৰচলিত আবকাৰী আইন মতে দেশৰ অন্য ৰাজ্যৰ পৰা বিলাতী সুৰা ক্ৰয় কৰি অনাতো আইন মতে অপৰাধ আৰু দণ্ডনীয় নেকি?

(খ) যদি অপৰাধ আৰু দণ্ডনীয়, তেন্তে আইন বা নিয়মৰ কপি সদনত দাখিল কৰিবনে?

(গ) যদি নহয়, তেনেহ'লে চুবুৰীয়া ৰাজ্য মেঘালয়ৰ পৰা ক্ৰয় কৰি অনা বিলাতী সুৰা ৰাজপথত আবকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰী বা আৰক্ষীয়ে কি আইনৰ আধাৰত তালাচী চলাই বিলাতী সুৰা ক্ৰেতাৰ পৰা জব্দ কৰি হাৰাশাস্তি কৰে?

(ঘ) যদি আইন মতে অপৰাধ বা দণ্ডনীয় নহয়, তেন্তে বিভাগে জাননী জাৰি কৰি তালাচী চলোৱা আৰু সুৰাৰ বটল জব্দ কৰা বন্ধ কৰিবনে?

(ঙ) তালাচীৰ সময়ত ক্ৰেতাৰ পৰা জব্দ কৰা সুৰাৰ চীজাৰ লিষ্ট দিয়া হয়নে? যদি নহয়, কিয় দিয়া নহয়?

(চ) যদি চীজাৰ লিষ্ট দিয়া হৈছে, কিমানজনক দিয়া হ'ল?

(ছ) চুবুৰীয়া ৰাজ্যৰ পৰা ক্ৰেতাই যদি সুৰা ক্ৰয় কৰি অনাত বাধা নাই, তেন্তে সৰ্বাধিক কিমান পৰিমাণৰ ক্ৰয় কৰি আনিব পাৰি?

(জ) তালাচীৰ সময়ত ক্ৰেতাৰ পৰা জব্দ কৰা বিলাতী সুৰা বিভাগে কি কৰে আৰু কিমান বিলাতী সুৰা ২০১৫ বৰ্ষৰ জানুৱাৰীৰ পৰা এতিয়ালৈকে জব্দ কৰা হ'ল আৰু মুঠ মূল্য কিমান হ'ব?

*বিষয় ঃ* **ৰাস্তা-ঘাট আৰু দলং সন্দৰ্ভত**

শ্ৰীআব্দুৰ ৰহিম খান ঃ

১০৪। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাত PMGSY, RR, SR, NEC, NHS ৰ অধীনত কিমান সংখ্যক পকী আৰু কেঁচা ৰাস্তা আছে?

(ৰাস্তাসমূহৰ নাম উল্লেখ কৰি সমষ্টি ভিত্তিত তালিকা সদনত দাখিল কৰিব)

(খ) উক্ত ৰাস্তাসমূহৰ ওপৰত কিমান সংখ্যক SPT Bridge আৰু RCC Bridge আছে?

(দলংসমূহৰ নাম, তালিকা সমষ্টি ভিত্তিত সদনত দাখিল কৰিব)

(গ) কোন কোন ৰাস্তাত যাতায়াতৰ সুবিধাৰ্থে দলঙৰ ব্যৱস্থা কৰিব লাগিছিল যদিও বৰ্তমানলৈ হোৱা নাই? চৰজমিন তদন্ত কৰি সমষ্টি ভিত্তিত তালিকা সদনত দাখিল কৰিবনে?

(ঘ) বৰপেটা সমষ্টিত বিগত পাঁচ বছৰত কিমান সংখ্যক SPT Bridge ভাঙি গৈছিল তাৰে কিমান সংখ্যক পুনৰ নিৰ্মাণ কৰা হ'ল আৰু কিমান সংখ্যক বাকী আছে?

(বিতং তালিকা সদনত দাখিল কৰিব)

(ঙ) বিগত পাঁচ বছৰৰ পৰা বৰ্তমানলৈ বৰপেটা সমষ্টিত কিমান সংখ্যক RCC Bridge হৈছে?

(Bridge ৰ নাম উল্লেখ কৰি তালিকা সদনত দাখিল কৰিব)

(চ) বিগত পাঁচ বছৰৰ পৰা বৰ্তমানলৈ কিমান সংখ্যক ৰাস্তা আৰু দলং নিৰ্মাণৰ প্ৰস্তাৱ জিলাৰ পৰা প্ৰাপ্তি হৈছে? সমষ্টি ভিত্তিত তালিকা সদনত দাখিল কৰিব?

(ছ) ইয়াৰে কিমান সংখ্যক চৰকাৰে Sanction কৰিছে আৰু কিমান সংখ্যক Sanction ৰ বাবে ৰৈ আছে?

(যাৱতীয় তালিকা সদনত দাখিল কৰিব)

*বিষয় ঃ* **বিধায়ক পুঁজি**

শ্ৰীমজিবুৰ ৰহমান ঃ

১০৫। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৫-১৬ বিত্তীয় বৰ্ষত বিধায়কসকলৰ বাৰ্ষিক বিধায়ক পুঁজি বিভাগে মোকলাই দিলেনে?

(খ) যদি দিয়া নাই, তেন্তে উক্ত পুঁজি কেতিয়া মোকলাই দিব জনাবনে?

(গ) আগন্তুক সাধাৰণ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিধায়কসকলৰ বিধায়ক পুঁজিৰ দুয়োটা কিস্তি অৰ্থাৎ সম্পূৰ্ণ এক কোটি টকা একেলগে দিয়াৰ ব্যৱস্থা কৰিবনে?

*বিষয় ঃ* **Untied Fund**

শ্ৰীআমিনুল ইছলাম ঃ

১০৬। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত চাৰি বছৰত নগাঁও/মৰিগাঁও জিলাৰ অন্তৰ্গত ধিং সমষ্টিত Untied Fund ৰ অধীনত কি কি আঁচনি ৰূপায়ণ কৰা হ'ল?

(খ) চলিত বিত্তীয় বছৰত ধিং সমষ্টিৰ অন্তৰ্গত কোন কোন আঁচনিৰ বাবে প্ৰস্তাৱ পোৱা গৈছে?

(কামৰ অগ্ৰগতিৰ তথ্যসহ উত্তৰ দান কৰিব)

*Sub. :* **Suspension of Manorama Das, DSO, Barpeta.**

Shri SHERMAN ALI AHMED :

107. Will the Minister of Sports & Youth Welfare be pleased to state :

(a) Is it true that consequent upon allegation by MLA, Baghbar LAC vide D.O. letter no. 45/D-22(i)/2015-16/Dir, dtd. 12-05-2015 addressed to the Director, sports & youth welfare, an enquiry was ordered against Manorama das. DSO, Barpeta and subsequently the DSO was placed under suspension vide notification no. SYW.137 /2015/8 dtd. 10-08-15 ?

(Please furnish a copy of the enquiry report)

(b) Is it true that Manorama Das, DSO, Barpeta (under suspension) was performing her duties as DSO, Barpeta even after her suspension as revealed in her official letter no. DSO/RTI/17/09/160 dtd. 27/8/15 & DSO/Estt/19/85/Pt-II dtd. 27/8/15 ? If yes, how could it happen ?

(Please furnish copies of these official letters)

(c) Is it true that on apprisal of the above facts by the MLA, Baghbar vide D.O. letter no. 45/D-22(ii)/2015-16 dtd. 22-9-2015, the Chief Secretary had ordered an enquiry ?

(If yes, please furnish a copy of the enquiry report)

*বিষয় ঃ* পেকেজ নং- **As-19-334** ৰ কাম

শ্ৰীকেশৱ মহন্ত ঃ

১০৮। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কলিয়াবৰ বিধান সভা সমষ্টিৰ পেকেজ নং As-19-334 ৰেকাপাহাৰ কোলডেন Pt.-II ছয় কিলোমিটাৰ আৰু বৰজুৰী চিমনাবস্তিৰ পৰা সালনা চাৰি কিলোমিটাৰ অধিক পথ STA অনুমতি দিয়াৰ পিছতো বৰ্তমান কাম আৰম্ভ নকৰাৰ কাৰণ কি?

(খ) এই কাম কেতিয়া আৰম্ভ কৰিব আৰু কেতিয়া সম্পূৰ্ণ হ'ব?

*বিষয় ঃ* গড়কাপ্তানি বিভাগৰ আঁচনি

শ্ৰীফণী ভূষণ চৌধুৰী ঃ

১০৯। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এন এল চি পি আৰ, এন ই চি, ৱৰ্ল্ড বেংক, নাবাৰ্ডৰ আঁচনিৰ অধীনত বৰ্তমান গড়কাপ্তানি বিভাগত কি কি আঁচনিৰ কাম চলি আছে?

(এই আঁচনিৰ নামৰ বিপৰীতে, আবণ্টিত ধনৰ পৰিমাণ, বৰ্ক অৰ্ডাৰ মতে কাম শেষ হ'বলগীয়া তাৰিখ, আদিৰ পৰিস্থিতিত কাম শেষ হ'বলগীয়া তাৰিখ, সুকীয়া সুকীয়াকৈ জনাব)

(খ) কি কাৰণত এই কামবোৰ লেহেমীয়া হৈছে?

(গ) এই আঁচনিবোৰৰ ধন ৰাজ্য চৰকাৰে ঋণ হিচাপে লাভ কৰিছেনে অনুদান হিচাপে লাভ কৰিছে?

(ঘ) যদি ঋণ হিচাপে লাভ কৰিছে, তেন্তে এইবোৰ কেতিয়া ঘূৰাই দিব লাগিব আৰু প্ৰতিটো আঁচনিৰ বিপৰীতে সূতে-মূলে কিমান ধন হ'ব?

(ঙ) এই আঁচনিবোৰৰ বিপৰীতে গড়কাপ্তানি বিভাগে ঠিকাদাৰসকলক কিমান ধন আদায় দিবলৈ বাকী আছে?

(চ) ৰাজ্যৰ গড়কাপ্তানি বিভাগে ৩০ নৱেম্বৰ, ২০১৫ পৰ্য্যন্ত ঠিকাদাৰসকলক কোন কোন আঁচনিৰ বিপৰীতে কিমান টকা এতিয়াও আদায় দিবলৈ বাকী আছে, কি কাৰণত এই ধনবোৰ অনাদায় হৈ আছে আৰু এই ধনবোৰ কেতিয়া আদায় দিয়া হ'ব?

(ছ) ৰাজ্যত বৰ্তমান কিমান কাঠৰ দলং আছে আৰু এই কাঠৰ দলঙৰ ভিতৰত চলিত বিত্তীয় বৰ্ষত কিমানখন কাঠৰ দলং পকী কৰাৰ বাবে ৩০ নৱেম্বৰ, ২০১৫ পৰ্য্যন্ত নিবিদা আহ্বান, বৰ্ক অৰ্ডাৰ দিয়া হৈছে?

(আঁচনিবোৰৰ নাম, ধনৰ পৰিমাণবোৰ উল্লেখ কৰিব)

(জ) চলিত বিত্তীয় বৰ্ষৰ ৩০ নৱেম্বৰ, ২০১৫ পৰ্য্যন্ত গড়কাপ্তানি বিভাগে কি কি কামৰ বৰ্ক অৰ্ডাৰ দিছে?

(এই আঁচনিবোৰৰ নাম, অনুমোদিত ধনৰ পৰিমাণ আৰু কামবোৰ শেষ হ'বলগীয়া সময়ৰ কথা উল্লেখ কৰিব)

*বিষয় ঃ* জলসিঞ্চন প্ৰকল্প

শ্ৰীআলী হুছেইন ঃ

১১০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান কিমান সংখ্যক সৰু, ডাঙৰ জলসিঞ্চন প্ৰকল্প আছে?

(জিলা ভিত্তিত সদনত জনাব)

(খ) ইয়াৰে কিমানটা জলসিঞ্চন প্ৰকল্প কাৰ্য্যক্ষম আৰু কিমান প্ৰকল্প অকাৰ্য্যক্ষম অৱস্থাত আছে?

(সমষ্টি ভিত্তিত সদনত জনাব)

(গ) অকাৰ্য্যক্ষম অৱস্থাত থকা জলসিঞ্চন প্ৰকল্পবিলাক কাৰ্য্যক্ষম কৰাৰ কাৰণে অসম চৰকাৰে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছেনে?

(ঘ) চলিত বিত্তীয় বৰ্ষত নতুন জলসিঞ্চন প্ৰকল্প কৰাৰ কাৰণে চৰকাৰৰ কোনো ধৰণৰ পৰিকল্পনা আছেনে? যদি আছে, কোন কোন ঠাইত জলসিঞ্চন প্ৰকল্প কৰা যাব?

*বিষয় ঃ* বাদ্ৰী সেতু

শ্ৰীদিলীপ কুমাৰ পাল ঃ

১১১। মাননীয় গড়কাপ্তানি বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) মুখ্যমন্ত্ৰী বিশেষ প্যাকেজের অন্তৰ্গত শিলচর-সোনাই এর মধ্যবৰ্ত্তী স্থলে অবস্থিত 'বাদ্ৰী সেতু' তৈয়ার যে কাজ হচ্ছে তার জন্য মোট কত টাকা বরাদ্দ করা হয়েছে?

(খ) বৰ্তমানে কাজ চলছে কি?

(গ) এখন পৰ্য্যন্ত কত পার্সেন্ট কাজ হয়েছে?

(ঘ) উক্ত কাজের ঠিকাদারের নাম কি? এখন পৰ্য্যন্ত ঠিকাদার কত টাকা Payment পেয়েছে?

(ঙ) উক্ত সেতুর কাজ কবে শেষ হবে? (উক্ত তথ্যগুলো সদনে পেশ করার অনুরোধ জানাই)

*বিষয় ঃ* **চেক গেটৰ সংখ্যা**

শ্ৰীউৎপল দত্ত ঃ

১১২। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত পৰিবহন বিভাগৰ কিমানখন চেকগেট আছে আৰু এই চেকগেটসমূহ ক'ত ক'ত আছে?

(খ) এই চেকগেটসমূহৰ পৰা ২০০৫-০৬ চনৰ পৰা ২০১০-১১ চনলৈ কিমান টকা কৰ সংগ্ৰহ হৈছিল আৰু ২০০৬-০৭ চনৰ পৰা ২০১০-১১ পৰা এতিয়ালৈ কিমান টকাৰ কৰ সংগ্ৰহ হ'ল?

(বিত্তীয় বৰ্ষ, চেকগেট অনুসৰি পৃথক পৃথককৈ তথ্য দাখিল কৰিব)

(গ) এই চেকগেটসমূহৰ ভিতৰত কিমানখন কম্পিউটাৰাইজড্ কৰা হ'ল?

(ঘ) চেকগেটসমূহত অস্থায়ীভাৱে কোনো লোকক ৰাজহ সংগ্ৰহ কৰিবলৈ দিয়া হৈছে নেকি?

(ঙ) যদি দিয়া হৈছে, কোন কেইখন চেকগেটত কাক কাক ৰাজহ সংগ্ৰহৰ দায়িত্ব দিয়া হৈছে?

(চ) ৰাজহ সংগ্ৰহৰ দায়িত্ব দিওঁতে কি নীতি-নিয়মৰ আধাৰত দিয়া হয় সবিশেষ জনাবনে?

*বিষয় ঃ* **কল্পতৰু**

শেখ শাহ আলম ঃ

১১৩। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১১-১২ বিত্তীয় বছৰৰ পৰা ২০১৫-১৬ বিত্তীয় বছৰত অসমৰ জিলাসমূহৰ কল্পতৰুৰ বাবে কিমানবাৰ টকা ধাৰ্য্য কৰা হৈছিল? সদনত জনাবনে?

(খ) উক্ত সময়ৰ ভিতৰত গোৱালপাৰা জিলাত কিমানবাৰ কল্পতৰু দিয়া হৈছে?

(গ) কল্পতৰু হিতাধিকাৰী বাছনিৰ বাবে কোনো ধৰণৰ কমিটী আছেনে? যদি আছে, সদনত দাখিল কৰিবনে?

(ঘ) গোৱালপাৰা জিলাৰ গোৱালপাৰা পশ্চিম সমষ্টিৰ লক্ষীপুৰ টাউনৰ কল্পতৰু হিতাধিকাৰীৰ বাছনিৰ বাবে সাক্ষাৎকাৰ লোৱা হৈছিলনে?

(ঙ) উক্ত টাউনৰ হিতাধিকাৰীসকলক কোনে বাছনি কৰিছিল?

*বিষয় ঃ* **PMGSY ৰাস্তা মেৰামতি**

শ্ৰীস্বপন কৰ ঃ

১১৪। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ২০১৫-১৬ বিত্তীয় বৰ্ষত কিমান কিঃ মিঃ PMGSY ৰ ৰাস্তা নিৰ্মাণৰ পৰিকল্পনা হাতত লোৱা হৈছে?

(খ) নগাঁও জিলাত উক্ত বিত্তীয় বৰ্ষত PMGSY আঁচনিৰ কিমান কিঃ মিঃ ৰাস্তা নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে?

(পেকেজ নং সৈতে পথ বিলাকৰ নাম আৰু দৈৰ্ঘ্য সবিস্তাৰে জনাব)

(গ) লামডিং সমষ্টিৰ PMGSY ৰ অধীনত কেইটা ৰাস্তা বিভাগীয় কৰ্তৃপক্ষৰ মেৰামতিৰ দায়িত্বত আছে আৰু কেইজন ঠিকাদাৰৰ দায়িত্বত আছে জনাবনে?

(ঘ) প্ৰায়বোৰ ৰাস্তা যে জনসাধাৰণৰ চলাচলৰ অনুপযোগী হৈ আছে এই বিষয়ে চৰকাৰ অৱগতনে?

(ঙ) যদি অৱগত, এই ৰাস্তাবোৰ কেতিয়া মেৰামতি কৰিব সদনত জনাবনে?

*Sub. :* **Schemes for Farmers**

Shri ABDUR RAHMAN AJMAL :

115. Will the Minister of Soil Conservation be pleased to state :

(a) What kind of Schemes had been taken up for the welfare of affected farmers whose land has been already eroded ?

(Please furnish in details)

(b) How many hectors of agricultural land has been eroded in last 5 (five) years in Dhubri, Goalpara and Barpeta districts ?

(Please give data in details)

(c) How many farmers becomes land less due to soil erosion by rivers in the state ?

(Please furnish in details LAC wise)

(d) Whether the Govt. has taken any adequate measures to compensate the land less farmers ?

(e) If so, please furnish in details LAC wise mentioning the name of beneficiaries ?

*বিষয় ঃ* প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক সম্পৰ্কে

শ্ৰীমনোৰঞ্জন দাস ঃ

১১৬। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰধান মন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ অধীনত (পেকেজ নং এ, এছ, ০১-৩৫) পাটাছাৰকুছি-বগাপাৰা ৰাস্তাটোৰ কাম (পকী দলং সহ) ইং ২০১১-১২ বিত্তীয় বৰ্ষত শেষ হ'ব বুলি ১১-০৭-২০১১ তাৰিখত বিধান সভাত কৰা ২৩ নং তৰাবিহীন প্ৰশ্নৰ উত্তৰ জনাইছিল যদিও এতিয়ালৈকে সম্পূৰ্ণ নোহোৱাৰ কাৰণ কি?

(খ) তৰাচিহ্নিত ৪ নং প্ৰশ্নৰ উত্তৰত (উত্তৰ-চ) ১৯-১২-১১ তাৰিখে ৪২ নং পাটাছাৰকুছি বিধান সভা সমষ্টিত নতুনকৈ ২টা পথ নিৰ্মাণৰ কাম অন্তৰ্ভুক্ত কৰা হৈছে বুলি অসত্য উত্তৰ দিয়াৰ কাৰণ কি? (উল্লেখিত পথ দুটা- (১) সাদেৰি-নিত্যানন্দ, আনন্দপুৰ, যাঠি শামাকু পথ আৰু (২) সৰুপেটা গোঁসাইভিঠা পথ)

(গ) পেকেজ নং- As-01-02 ৰ অধীনত "Kathar Ali to Bhogpur" নামেৰে (PMGSY) ৰাস্তা সম্পূৰ্ণ কৰি দেখুওৱা ৰাস্তাটো কাঠৰ আলিৰ কোনখিনিত আৰম্ভ হৈ ভোগপুৰলৈ গৈছে জনাবনে?

(ঘ) পেকেজ নং- As-01-97 (PMGSY) নিৰ্মাণ কৰা "Bhogpur to Bamakhata" ৰাস্তাটোৰ দৈৰ্ঘ্য 6.617 KM ক'ৰ পৰা আৰম্ভ হৈ ক'ত শেষ হৈছে?

(ঙ) পেকেজ নং- As-01-92 ৰ অধীনত "Uparnai Ulua Rd" 3.205 KM ৰাস্তা নিৰ্মাণৰ পিছত বামুণকুছি গাঁৱৰ কলিতাপাৰাৰ মাজেৰে গৈ 31 নং NH ত সংলগ্ন হোৱা বাকীখিনি ৰাস্তা আৰু দলং চৰকাৰে কেতিয়া নিৰ্মাণ কৰিব জনাবনে?

(চ) পেকেজ নং- As-01-75 (PMGSY) ৰ অধীনত নিৰ্মিত ৩.৫ KM ৰ দৈৰ্ঘ্যৰ ভালুকী-কাছকুৰী ৰাস্তাটো টিহু বনগাঁও ৰাস্তাৰ পৰা আৰম্ভ কৰিছিল নেকি?

(ছ) পেকেজ নং- As-01-96 (PMGSY) ৰ অধীনত নিৰ্মিত ২.৩১২ কিঃ মিঃ দৈৰ্ঘ্যৰ কোচদিগা মাগুৰি ৰাস্তাটো ভালুকী-কাছকুৰী ৰাস্তাৰেই অংশ হয়নে?

*বিষয় ঃ* জলচ্ছেদ (I.W.M.P আঁচনি)

শ্ৰীপ্ৰবীন হাজৰিকা ঃ

১১৭। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শোণিতপুৰ জিলাত ভূমি সংৰক্ষণ বিভাগৰ জৰিয়তে কিমানটা জলচ্ছেদ আঁচনি চলি আছে? উক্ত আঁচনি কোন কোন চনত আৰম্ভ হৈছিল আৰু কিমান কিমান টকা ধাৰ্য্য কৰা হৈছিল?

(নামসহ বিতং তথ্য দাখিল কৰিব)

(খ) প্ৰত্যেকটো আঁচনিৰ অগ্ৰগতিৰ খতিয়ান আৰু নিয়োজিত বিষয়া-কৰ্মচাৰী আৰু পঞ্জীয়ন কমিটীসমূহৰ নামৰ তথ্য দিয়াৰ ব্যৱস্থা কৰিব?

(গ) কোন কোন Project ত কেতিয়াকৈ শেষ হ'ব আৰু কিমান কাম বাকী আছে? নিৰ্ধাৰিত দিন মতে কামটো শেষ হ'ব নে নহয়? তাৰ কাৰণ দৰ্শাই সম্পূৰ্ণ বিৱৰণ দিয়াৰ ব্যৱস্থা কৰিবনে? উক্ত আঁচনিসমূহৰ বিপৰীতে Water Shed Division, Team Member হিচাপে কিমানজনক নিয়োগ কৰা হৈছে?

(Project-wise সদস্যৰ তালিকা গাঁঠি দিব)

*বিষয় ঃ* কল্পতৰু

শ্ৰীমইনউদ্দিন আহমেদ ঃ

১১৮। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১১-১২, ২০১২-১৩, ২০১৩-১৪ আৰু ২০১৪-১৫ বিত্তীয় বৰ্ষকেইটাত অসমত কোন কোন জিলাই 'কল্পতৰু' আঁচনিৰ U.C (Utilisation Certificate) জমা কৰিছে আৰু কোন কোন জিলাৰ এই আঁচনিৰ টকা Return বা lapse হৈছে?

(খ) এই 'কল্পতৰু' আঁচনিৰ ধন Return বা lapse হোৱাৰ বাবে দায়ী কোন, তাৰ বিৰুদ্ধে কিবা বিহিত ব্যৱস্থা লোৱাৰ নজিৰ আছেনে?

(যদি আছে, বিতংভাৱে জনাব)

(গ) জলেশ্বৰ সমষ্টিৰ ২০১১-১২ আৰু ২০১২-১৩ চনৰ জলেশ্বৰ ব্লকৰ, আঁচনিৰ টকা যোৱা মাহত release কৰি Cheque বিতৰণ কৰা হৈছে যদিও A/c ত টকা নথকাৰ বাবে Beneficiary য়ে আজিলৈ টকা পোৱা নাই কিয়, ইয়াৰ এটা তদন্ত কৰি টকাখিনি দিয়াৰ ব্যৱস্থা কৰিবনে?

(ঘ) এইটো সত্যনে, জামাদাৰহাট Development Block Area ২০১১-১২ আৰু ২০১২-১৩ বিত্তীয় বছৰৰ সম্পূৰ্ণ পুঁজি Return হ'ল আৰু lapse হৈ গ'ল?

(ঙ) এইটো সত্যনে প্ৰায় ডেৰ বছৰ আগতে ইয়াৰ বাবে দৰখাস্ত লোৱা, সাক্ষাৎকাৰ লোৱা আদি কাম সম্পূৰ্ণ কৰি প্ৰায় এবছৰ আগত "Beneficiary list" D C Office ত জমা হোৱাৰ পিছত, হঠাৎ ইমান দিনৰ মূৰত fund lapse হোৱাৰ কথা শুনি মানুহখিনি হতাশাত ভুগিছে?

(চ) যদি সত্য, তেন্তে এই fund কিয় lapse হ'ল, কাৰ গাফিলতিৰ বাবে lapse হ'ল, কাৰ গাফিলতিত এই মানুহখিনি চৰকাৰী সুবিধাৰ পৰা বঞ্চিত হ'ল, তাৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা হ'লনে? যদি হোৱা নাই, তেন্তে কিয়?

(ছ) উক্ত lapse হোৱা fund খিনি আকৌ এই selected beneficiary খিনিক দিয়াৰ ব্যৱস্থা কৰিবনে? যদি কৰে কেতিয়া?



*বিষয় ঃ* **BADP ৰ SCA আৰু TFC আঁচনি সম্পৰ্কে।**

শ্ৰীবনেন্দ্ৰ কুমাৰ মুছাহাৰী ঃ

১১৯। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত BADP, SCA আৰু TFC (13th Finance Commission) আঁচনিসমূহ ২০১৩-১৪ চনৰ পৰা কেন্দ্ৰীয় চৰকাৰে টকা মোকলাই নিদিয়াৰ বাবে আঁচনি বিলাকৰ কাম বন্ধ হৈ থকা কথাটো সঁচানে?

(খ) যদি সঁচা নহয়, ২০১৩-১৪, ২০১৪-১৫ আৰু ২০১৫-১৬ ৰ BADP ৰ SCA আৰু TFC ৰ ধুবুৰী জিলাত কোন কোন Development Block ত কি কি আঁচনি প্ৰস্তুত কৰা হৈছে, সমষ্টি ভিত্তিত তালিকা, সদনৰ মজিয়াত বিতংকৈ দাখিল কৰিবনে?

(গ) চলিত বিত্তীয় বছৰত আৰু ওপৰত উল্লেখ কৰা বিত্তীয় বছৰৰ আঁচনিৰ কাম অনুমোদন দিয়াৰ ব্যৱস্থা কৰিবনে?

(ঘ) যদি নকৰে, কি কাৰণত কৰা নহ'ব আৰু কেতিয়া কৰিব বিতংকৈ সদনৰ মজিয়াত জনাবনে?

*বিষয় ঃ* **ৰাস্তা-ঘাট আৰু দলং নিৰ্মাণ সন্দৰ্ভত**

শ্ৰীআব্দুৰ ৰহিম খান ঃ

১২০। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰাক ভেলিত PMGSY, RR, SR, NEC, NHS ৰ অধীনত কিমান সংখ্যক ৰাস্তা আছে?

(ৰাস্তাসমূহৰ নাম উল্লেখ কৰি সমষ্টি ভিত্তিত তালিকা সদনত দাখিল কৰিব)

(খ) ইয়াৰে কিমান সংখ্যক পকীকৰণ কৰা হৈছে আৰু কিমান সংখ্যক কেঁচা ৰাস্তা আছে?

(ৰাস্তাৰ নাম উল্লেখ কৰি সমষ্টি ভিত্তিত তালিকা সদনত দাখিল কৰিব)

(গ) উক্ত ৰাস্তাসমূহৰ ওপৰত কিমান সংখ্যক কাঠৰ দলং আৰু পকী দলং আছে?

(দলং সমূহৰ নামৰ তালিকা সমষ্টি ভিত্তিত সদনত দাখিল কৰিব)

(ঘ) উক্ত দলং সমূহৰ কিমানখন দলং ভঙা-ছিঙা হৈ আছে?

(দলং সমূহৰ নাম উল্লেখ কৰি তালিকা সদনত দাখিল কৰিব)

(ঙ) বিগত ৫ বছৰৰ পৰা বৰ্তমানলৈ কিমান সংখ্যক ৰাস্তা আৰু দলং নিৰ্মাণৰ প্ৰস্তাৱ বৰাক ভেলিৰ পৰা প্ৰাপ্তি হৈছে?

(জিলা ভিত্তিত সমষ্টিৰ নাম উল্লেখ কৰি বিতং তালিকা সদনত দাখিল কৰিব)

(চ) বিগত ৫ বছৰৰ পৰা বৰ্তমানলৈ ইয়াৰে কিমান সংখ্যক চৰকাৰে Sanction কৰিছে আৰু কিমান সংখ্যক Sanction ৰ বাবে বৈ আছে?

(যাৱতীয় তালিকা সদনত দাখিল কৰিব)

*বিষয় ঃ* **ধিং সমষ্টিৰ পথ, দলং**

শ্ৰীআমিনুল ইছলাম ঃ

১২১। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চলিত বিত্তীয় বছৰত ধিং সমষ্টিত কোন কোন আঁচনিৰ অধীনত কোন কোন পথ পকীকৰণৰ ব্যৱস্থা লোৱা হৈছে আৰু কোন পৰ্য্যায়ত আছে?

(খ) বিগত পাঁচ বছৰত ধিং সমষ্টিত নতুনকৈ নিৰ্মাণ কৰা আৰু মেৰামতি কৰা দলং আৰু ৰাস্তাৰ নাম, আঁচনিৰ নাম আৰু আবণ্টিত টকাৰ পৰিমাণ সহ তালিকা সদনত দাখিল কৰিবনে?

(গ) মৈৰাবাৰী-লাহৰীঘাট আৰু মৈৰাবাৰী-মৰিগাঁও পথ দুটাৰ মেৰামতি /পূননির্মাণৰ কাৰণে চৰকাৰে কি ব্যৱস্থা গ্রহণ কৰিছে?

*বিষয় ঃ* **জলসিঞ্চন আঁচনি**

শ্রীআলী হুছেইন ঃ

১২২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৱা পাঁচটা বিত্তীয় বর্ষত কিমান জলসিঞ্চনৰ আঁচনি অনুমোদন দিয়া হ'ল?

(খ) এই আঁচনি সমূহৰ ভিতৰত কিমানটা আঁচনি সম্পূর্ণ কৰা হৈছে?

(গ) বাকী থকা আঁচনি সমূহৰ অগ্রগতি বিতং ভাবে সদনত জনাব?

(ঘ) বৰপেটা জিলাত উক্ত সময়ছোৱাত কেইটা আঁচনি অনুমোদন জনোৱা হৈছে আৰু ইয়াৰ অগ্রগতি কিমান?

(বিতং ভাবে সদনত জনাব)

*বিষয় ঃ* **PMGSY ৰাস্তা**

শ্রীস্বপন কৰ ঃ

১২৩। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) লামডিং সমষ্টিৰ PMGSY ৰাস্তা Package No.AS-19-186/2008/09 সন্দৰ্ভত যোৱা ইং ১১-৮-২০১৪ তাৰিখৰ তৰাবিহীন প্ৰশ্ন নং ২৬৯ৰ (ঘ) নং প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়াই ২০১৫ চনৰ মাৰ্চ মাহৰ ভিতৰত উক্ত ৰাস্তাৰ কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে বুলি জনাইছিল, বৰ্তমানে কামটো কি পৰ্য্যায়ত আছে জনাবনে?

(খ) বাকী থকা কামখিনিৰ পুনৰ আবন্টন কোন ঠিকাদাৰক দিয়া হ'ল? ঠিকাদাৰজনৰ কামৰ অগ্রগতি কিমান আৰু বিভাগে কামৰ বিপৰীতে কিমান টকা আদায় দিলে?

(বিস্তৃত তথ্য দাখিল কৰিবনে)

(গ) কামটো কেতিয়া সম্পূৰ্ণ হ'ব জনাবনে?

*Sub. :* **RCC Bridges**

Shri ABDUR RAHMAN AJMAL:

124. Will the Minister of P.W.D. Road be pleased to state :

(a) In the last Assembly Session on 12-08-2015 and un-starred Question No.114 was replied by the concerned Minister that total 364 numbers of SPT bridges are converted to RCC bridges in last 5 years in Assam out of 703 Numbers of bridge Project is correct?

(b) If so, why not included a single bridge in South Salmara LAC ?

(c) Several times the proposal of bridges (i) Kolabari SPT bridge (ii) Dhenarkuti to Phulbari over the river Jinjiram (iii) Fulkaraty over the river Tipkai and (iv) Boyzer Alga near Goailerchar of South Salmara LAC are submitted to the concerned department in various heads for sanctioning the same but there no action has been taken against those bridges till date why?

(Please mention in details)

(d) Whether the Government has any plan to sanction the above mentioned bridges ? If so, when it will be started ?

(Please give details)

(e) If not, reason thereof ?



*বিষয় ঃ* **পৰিবহন বিষয়াৰ সংখ্যা**

শ্ৰীযাদব চন্দ্ৰ ডেকা ঃ

১২৫। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানজন জিলা পৰিবহন বিষয়া আছে?

(খ) তেওঁলোকৰ ভিতৰত কোনজন কেতিয়া সংশ্লিষ্ট জিলাত যোগদান কৰি অদ্যাপি কাৰ্য্যনিৰ্বাহ কৰি আছে?

(নাম, যোগদানৰ তাৰিখ আৰু জিলা উল্লেখ কৰি সদনত দিব)

(গ) ইং ২০১৪ চনৰ ডিচেম্বৰ মাহত কিমানজন এচিছটেন্ট এনফৰ্চমেণ্ট ইন্সপেক্টৰ আৰু এনফৰ্চমেণ্ট চেকাৰক নিযুক্তি দিয়া হৈছিল?

(ঘ) উক্ত পদ দুটাৰ বাবে কিমান তাৰিখে, কোন কোন বাতৰি কাকতত বিজ্ঞাপন প্ৰচাৰ কৰা হৈছিল?

(প্ৰকাশিত বিজ্ঞাপনৰ প্ৰতিলিপি (ফটোকপি) সদনত দিব)

(ঙ) কিমান প্ৰাৰ্থীয়ে এই পদৰ নিযুক্তিৰ বাবে আবেদন জনাইছিল আৰু কিমান প্ৰাৰ্থীক লিখিত পৰীক্ষাৰলৈ আমন্ত্ৰণ জনোৱা হৈছিল?

(চ) লিখিত পৰীক্ষা কোন চনৰ কিমান তাৰিখে অসমৰ কোন কোন কেন্দ্ৰত অনুষ্ঠিত হৈছিল?

(ছ) লিখিত পৰীক্ষাত কিমানজন প্ৰাৰ্থী উত্তীৰ্ণ হৈছিল?

(জ) উত্তীৰ্ণ প্ৰাৰ্থী সকলৰ মৌখিক পৰীক্ষা ক'ত অনুষ্ঠিত হৈছিল?

(ঝ) মৌখিক পৰীক্ষাৰ বাবে এক্সপাৰ্ট কমিটী গঠন কৰা হৈছিল নেকি?

(এক্সপাৰ্ট কমিটীৰ অধ্যক্ষ আৰু সদস্য সকলৰ নাম, ঠিকনা উল্লেখ কৰি সদনত দিব)

(ঞ) এচিছটেণ্ট এনফৰ্চমেণ্ট ইন্সপেক্টৰ আৰু এনফৰ্চমেণ্ট চেকাৰৰ মৌখিক পৰীক্ষাৰ পিছত কিমানজন প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ল?

(নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থী সকলৰ ৰোল নম্বৰ, পৰীক্ষাত প্ৰাপ্ত নম্বৰ, নিযুক্তি প্ৰাপ্ত স্থানৰ লগতে নাম আৰু ঠিকনা উল্লেখ কৰি সদনত দাখিল কৰিব)

*বিষয় ঃ* **বিধায়কৰ সমষ্টিত উন্নয়ন পুঁজি**

শ্ৰীমনোৰঞ্জন দাস ঃ

১২৬। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ ১২৬ টা বিধান সভা সমষ্টিৰ উন্নয়নৰ বাবে চৰকাৰে মুকলি কৰি দিয়া ধন (২০১১-১২ বিত্তীয় বৰ্ষৰ পৰা ২০১৪-১৫ লৈ) আঁচনি ৰূপায়ণৰ জৰীয়তে সম্পূৰ্ণভাৱে খৰচ কৰা হ'ল নে?

(খ) বিধায়কে আঁচনি অনুমোদন কৰি ধন ধাৰ্য্যকৰি দিয়াৰ পিচতো কোনো কোনো উপায়ুক্তই আঁচনি ৰূপায়ণৰ কাৰণে যথোচিত, সময়োচিত ব্যৱস্থা নোলোৱাৰ কিবা কাৰণ থাকিব পাৰে নেকি?

(গ) কিছুমান ক্ষেত্ৰত ১ম কিস্তিৰ ধন মোকলাই দিয়াৰ পিচত Utilization Certificate আদি দাখিল কৰি ২য় কিস্তিৰ ধন লোৱাৰ ব্যৱস্থা নকৰা সকলৰ বিৰুদ্ধে উপায়ুক্তই বিহিত ব্যৱস্থা কৰা নাই ইয়াৰ অন্তৰালত কিবা কাৰণ আছে নেকি?

*বিষয় ঃ* **পথ আৰু দলং নিৰ্মাণ**

শ্ৰীপ্ৰবীন হাজৰিকা ঃ

১২৭। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শোনিতপুৰ জিলাৰ বিশ্বনাথ সমষ্টিৰ অন্তৰ্গত তলত উল্লেখ কৰা কেইবাটাও পথ আৰু কেবাখনো দলং (কাঠৰ) পকীকৰণৰ ব্যৱস্থা কৰিবনে?

**(খ) পথসমূহ হ'ল—**

(১) দলংগুৰিৰ পৰা মাজুলী গড় পথ

(২) বালিচাঙৰ পৰা কমাৰজান মৰতুপা পথ

(৩) নিজগড়পাল পথ

(৪) ধুলি দিৰিং পথ

(৫) বৰপুখুৰী নিহাংচাং-মিছামাৰী পথ

(৬) পতিয়া গাঁও পথ

**(গ) কাঠৰ দলংসমূহ হ'ল—**

(১) দিৰিং বিজয়পুৰ কাঠৰ দলং

(২) কমাৰজান কাঠৰ দলং

(৩) নাহৰনী কাঠৰ দলং

(৪) চেলাইখাটি প্ৰচাৰ গাঁও কাঠৰ দলং

(৫) ঘাহি তাঁতী পাৰা কাঠৰ দলং

(৬) তিনিসুতি পামবস্তী কাঠৰ দলং

(৭) বৰপথাৰ কাঠৰ দলং

(৮) গোসাইচাপৰী কাঠৰ দলং

(৯) উত্তৰ মৰল গাঁও মাজুলী কাঠৰ দলং

(১০) উত্তৰ মৰল বাহবৰীয়া পথ কাঠৰ দলং

(ঘ) উক্ত কাম কেইটা Biswanath Chariali Div.ৰ বিষয়াৰ জৰীয়তে আঁচনিসমূহৰ প্ৰস্তাৱ আনি জৰুৰী ভাবে কাৰ্য্যকৰী ব্যৱস্থা ল'বনে?

*বিষয় ঃ* **ৰাজ্যিক ঘাই পথ আৰু PMGSY**

শ্ৰীমজিবুৰ ৰহমান ঃ

১২৮। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁওৰ পৰা ছিডিমাৰী আৰু ছিডিমাৰীৰ পৰা নলতলীলৈকে হবলগীয়া ৰাজ্যিক ঘাই পথটোৰ কামৰ আবণ্টন কোনজন ঠিকাদাৰ বা Firm য়ে পাইছে নামেৰে সৈতে জনাবনে?

(খ) উক্ত পথটোৰ নিবিদা কেতিয়া আহ্বান কৰা হৈছিল আৰু কোন তাৰিখে ঠিকাদাৰক কামৰ আবণ্টন দিয়া হৈছিল সবিশেষ জনাবনে?

(গ) উক্ত ৰাস্তাটোৰ বাবদ চৰকাৰে কিমান পুজি আবণ্টন দিছে? লগতে ৰাস্তাটোৰ কিমান কাম কেতিয়া আৰম্ভ হ'ব আৰু কিমান দিনৰ ভিতৰত কাম সম্পন্ন হ'ব? ইয়াৰ প্ৰাক্কলন (Estimate) সদনত দাখিল কৰিবনে? আনহাতে উক্ত ঘাই পথটোৰ ঠিকাদাৰজনে Mobilisation advance উঠাইছেনে? যদি উঠাইছে, তেন্তে বিল ভাউচাৰ সহ সদনত দাখিল কৰিবনে?

(ঘ) বিভাগীয় মন্ত্ৰী মহোদয়াই উক্ত পথচোৰাৰ আধাৰশিলা স্থাপন কৰিছিলনে? যদি কৰিছিল তেন্তে কেতিয়া কৰিছিল জনাবনে?

(ঙ) ৰূপহীহাট সমষ্টিৰ ২০০৭-২০০৮ চনত আবণ্টিত PMGSY ৰ অধীনত হবলগীয়া কাম এতিয়াওঁ সম্পন্ন কৰিবলৈ বাকী আছে নেকি?

(চ) যদি আছে, তেন্তে ইয়াৰ Package No. কিমান, কিমান কিলোমিটাৰ কৰিবলৈ বাকী আছে, বাকী থকাৰ কাৰণ কি আৰু কেতিয়া এই আধৰুৱা কাম সম্পূৰ্ণ কৰা হ'ব জনাবনে?



*বিষয় ঃ* **কাঠৰ দলং**

শ্ৰীআলী হুছেইন ঃ

১২৯। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৰুক্ষেত্ৰী সমষ্টিৰ অধীনত কিমানখন কাঠৰ দলং পকীকৰণ কৰিবলৈ বাকী আছে?

(খ) বাকী থকা কাঠৰ দলং কেইখন কেতিয়া পকীকৰণ কৰা হ'ব?

(গ) বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ কাঠৰ দলংখনৰ জৰাজীৰ্ণ অৱস্থাৰ বিষয়ে বিভাগ জ্ঞাতনে? যদি জ্ঞাত, এইক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে? যদি ব্যৱস্থা লোৱা হৈছে, কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব?

(সদনত তথ্য সহকাৰে বিতং জনাব)

(ঘ) সৰুক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত খৰমা বজাৰৰ ওচৰত থকা কাঠৰ দলংখন বানপানীত ধ্বংস হোৱাৰ বিষয়ে চৰকাৰ জ্ঞাতনে? যদি জ্ঞাত, তেন্তে পুনৰ নিৰ্মাণ কৰাৰ বাবে চৰকাৰে কোনো সিদ্ধান্ত লৈছেনে? যদি লৈছে, কিমান দিনৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব?

(বিতং তথ্য সদনত জনাব)

*বিষয় ঃ* **গড়কাপ্তানি উপ-সংমণ্ডল স্থাপন**

শ্ৰীযাদব চন্দ্ৰ ডেকা ঃ

১৩০। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰশ্নকৰ্তাৰ ১২/০৮/২০১৫ তাৰিখৰ তৰাবিহীন প্ৰশ্ন নং ১০৩ (গ) ত উল্লেখিত বিত্ত বিভাগে তথ্য বিচাৰি ঘূৰাই পঠোৱা ফাইলটো বিত্ত বিভাগে বিচৰা তথ্য মুখ্য অভিযন্তাৰ পৰা বিচাৰি প্ৰেৰণ কৰা পত্ৰৰ উত্তৰ তথ্য লাভ কৰিলেনে?

(খ) যদি কৰিলে, ফাইলটো পুনৰ অনুমোদনৰ বাবে বিত্ত বিভাগলৈ প্ৰেৰণ কৰা হলনে?

(গ) হৈছে যদি, অনুমোদন পালেনে?

(ঘ) যদি পাইছে, বৰ্তমান বাকী থকা কামৰ সবিশেষ জনাব?

(ঙ) চলিত বিত্তীয় বছৰত বাইহাটা চাৰিআলি এলেকাত গড়কাপ্তানি বিভাগৰ উপ-সংমণ্ডল স্থাপনৰ অধিসূচনা জাৰি কৰি কাম আৰম্ভ কৰিব পৰা যাবনে?

(চ) যদি নোৱাৰি, কেতিয়ালৈ সম্ভৱ হ'ব?

*বিষয় ঃ* **জলসিঞ্চন আঁচনি**

শ্ৰীপ্ৰবীন হাজৰিকা ঃ

১৩১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শোনিতপুৰ জিলাৰ বিশ্বনাথ সংমণ্ডল আৰু তেজপুৰ সংমণ্ডলত কিমানটা ডাঙৰ আৰু সৰু জলসিঞ্চনৰ আঁচনি আছে?

(নাম-সহ তথ্য সহকাৰে তালিকাখন দিয়াৰ ব্যৱস্থা কৰিব)

(খ) কিমানটা চলি আছে আৰু কিমানটা বিকল হৈ আছে?

(গ) চৰকাৰে কিমানটা নতুন আঁচনি লৈছে, কিমানটা পুৰণি আঁচনি মেৰামতি কৰিছে আৰু কিমান মাটিত কৃষকক পানী যোগান ধৰিছে?

(তথ্য সহকাৰে সকলো সদনৰ মজিয়াত দিয়াৰ ব্যৱস্থা কৰিব)

*বিষয় ঃ* **PMGSY আঁচনি**

শ্ৰীআলী হুছেইন ঃ

১৩২। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমানলৈকে PMGSY আঁচনিৰ

অধীনত কেন্দ্রীয় চৰকাৰে অসমত কিমান টকা আবণ্টন দিছে?

(বৰ্ষ ভিত্তিত উল্লেখ কৰিব)

(খ) উক্ত আঁবণ্টিত ধনৰ দ্বাৰাই অসমত কিমানটা PMGSY ৰাস্তা পকীকৰণ কৰা হৈছে?

(জিলা ভিত্তিত বৰ্ষ অনুযায়ী জনাব)

(গ) এই আবণ্টিত ধনৰ কিমান টকা এই শিতানত খৰচ কৰা হৈছে আৰু এই আবণ্টিত ধনৰ টকা অব্যৱহৃত হৈ আছেনে?

(ঘ) যদি আছে, তেন্তে সেই টকা চৰকাৰৰ কোনটো শিতানত জমা হৈ আছে? সেই অব্যৱহৃত টকা বিলাক চৰকাৰে কিবা কামত খৰচ কৰিবনে? যদি কৰে, তেন্তে কি কি কামত খৰচ কৰিব?

(বিতংভাৱে সদনত জনাব)

(ঙ) চৰকাৰে PMGSY আঁচনিৰ অধীনত নতুন পথ পকীকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰক নতুন Proposal চৰকাৰে দিছেনে?

(জিলা ভিত্তিত সদনত জনাব)

---

AGP. 353/15-LAQ-700-05-12-2015.